জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৬৮/২০২২**

<u>অসম মানৱ অধিকাৰ আয়োগৰ নৱনিৰ্মিত ভৱন শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই</u>

# জনসাধাৰণৰ অধিকাৰ সুৰক্ষাৰ দিশত আয়োগৰ নতুন ভৱনটি এক মন্দিৰ সদৃশ হৈ উঠিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ ৰূপনগৰত অসম মানৱ অধিকাৰ আয়োগৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰি ৰাইজৰ সেৱাত উৎসৰ্গিত কৰে। উল্লেখ্য যে ১৯৯৬ চনত অসম মানৱ অধিকাৰ আয়োগ গঠন হোৱাৰ সুদীৰ্ঘ সময়ৰ বিৰতিৰ পিছত এবিঘা ভূমিত আয়োগৰ এই স্থায়ী ভৱনটো নিৰ্মাণ কৰা হৈছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম মানৱ অধিকাৰ আয়োগৰ এই স্থায়ী ভৱনটি উদ্বোধন কৰিবলৈ পাই তেওঁ অতিশয় আনন্দিত হৈছে। তেওঁ লগতে কয় যে এই ভৱনটিৰ উদ্বোধন আয়োগৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ দিন হিচাপে পৰিগণিত হৈ ৰ'ব। ১৯৯৬ চনত ইয়াৰ প্ৰতিষ্ঠাকালৰে পৰা ভঙাগড়ত এটি ভাড়াঘৰত আয়োগে কাম-কাজ চলাই আহিছিল।

মুখ্যমন্ত্ৰীয়ে কয় যে এই স্থায়ী ভৱনটোৱে আয়োগৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ লগতে ন্যায় প্ৰদানৰ দিশতো যথেষ্ট সহায়ক হৈ উঠিব। তদুপৰি, স্বাধীনতাৰ অমৃত কালত এই স্থায়ী ভৱনটোৰ নিমাৰ্ণে আয়োগৰ কাম-কাজক নতুন গতি প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে জনসাধাৰণৰ অধিকাৰ সুৰক্ষাৰ দিশত এই নতুন ভৱনটি এক মন্দিৰ সদৃশ হৈ উঠিব।

মুখ্যমন্ত্ৰীয়ে কয় যে গণতন্ত্ৰত মানুহৰ অধিকাৰ সুনিশ্চিত কৰাটো অতিশয় প্ৰয়োজন। গণতন্ত্ৰৰ সফলতাৰ ক্ষেত্ৰত মৌলিক অধিকাৰসমূহৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উল্লেখ কৰি তেওঁ জনসাধাৰণক নাগৰিকৰ কৰ্তব্যৰ লগতে মৌলিক অধিকাৰসমূহ পালনৰ দিশত অধিক গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ক'ভিড মহামাৰীকে ধৰি আহি পৰা বিভিন্ন প্ৰত্যাহ্বান সত্ত্বেও অসম মানৱ অধিকাৰ আয়োগৰ ভৱনটি দ্ৰুততাৰে নিৰ্মাণ কৰি উলিওৱা বাবে লোকনিৰ্মাণ বিভাগক ধন্যবাদ জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠান গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰ এম চ্ছায়া, অসম মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষ ন্যায়াধীশ টি ভাইফেই আৰু আয়োগৰ সদস্য দেৱ কুমাৰ শইকীয়াইও ভাষণ প্ৰদান কৰে।

**সুঃদঃ / পুঃডেঃ**
**৩/০৯/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in